# বিনয়োগকাৰীৰ অধিকাৰ সম্পৰ্কীয় বিবৃতি/ঘোষণা

'বিনয়োগকাৰীৰ অধিকাৰ সম্পৰ্কীয় বিবৃতি/ঘোষণা' বা Statement of Investor Rights চি এফ এ প্ৰতিষ্ঠানে বিত্তীয় সেৱা সামগ্ৰী ক্ৰেতাক বিত্তীয় সেৱা আগ বঢ়োৱা কৰ্তৃপক্ষৰ পৰা তেওঁলোকে আশা কৰিব পৰা ব্যৱহাৰ সম্পৰ্কত পৰামৰ্শ দিবলৈ প্ৰৱৰ্তন কৰিছিল। এই অধিকাৰবোৰে মৌলিক নীতিগত সূত্ৰবোৰক প্ৰতিফলন কৰে, যিবোৰ যিকোনো পেচাগত সম্পৰ্কৰ ক্ষেত্ৰত আস্থা আদায়ৰ বাবে অতি গুৰুত্বপূৰ্ণ। তালিকাখন বিত্তীয় সামগ্ৰী আৰু সেৱা, যেনে- বিনিয়োজন পৰিচালনা, গৱেষণ আৰু পৰামৰ্শ, ব্যক্তিগত বেংকিং, বীমা আৰু মাটি-বাৰী-ঘৰ-দুৱাৰ আদিৰ ক্ষেত্ৰত প্ৰযোজ্য। আপুনি এটা বিনিয়োজনৰ আঁচনি লোৱা, ব্ৰ'কাৰৰ (দালাল) সৈতে কথা পতা, এটা বেংক একাউণ্ট খোলা বা এটা ঘৰ কিনা যিয়েই নকৰক, 'বিনয়োগকাৰীৰ অধিকাৰ সম্পৰ্কীয় বিবৃতি' বা Statement of Investor Rights হ'ল আপোনাক আপোনাৰ প্ৰয়োজনীয় তথ্য আৰু আশা কৰা আৰু প্ৰাপ্য ধৰণৰ সেৱা পোৱাত এটা সহায়ক উপায়। **বিত্তীয় পেচাদাৰসকল এই অধিকাৰবোৰ মানি চলিবলৈ বাধ্য হৈ আছে বুলি কৰা দাবীয়ে আপোনাক ব্যক্তিজনৰ সৈতে আৰু/ বা আপোনাৰ তেওঁৰ সৈতে কৰা লেনদেনত বিশ্বাস গঢ়ি তোলাত সহায় কৰিব আৰু লগতে তাৰ পৰা সামগ্ৰিকভাৱে বিশ্বাস, শ্ৰদ্ধা আৰু বিত্তীয় লেনদেন মজবুত হ'ব।**

## যেতিয়া বিত্তীয় পেচাদাৰসকলক আৰু সংস্থা-সংগঠনক নিযুক্ত কৰো, মোৰ পাবলৈ অধিকাৰ আছে...

1. সৎ, যোগ্য আৰু নৈতিক আচৰণ, যিটো প্ৰযোজ্য আইনৰ দ্বাৰা স্বীকৃত
2. স্বতন্ত্ৰ আৰু বস্তুনিষ্ঠ পৰামৰ্শ আৰু বিজ্ঞতাপূৰ্ণ বিশ্লেষণ-ভিত্তিক সহযোগিতা, সতৰ্ক বিচাৰ-বিবেচনা আৰু তৎপৰতামূলক যত্ন।
3. মোৰ বিত্তীয় স্বাৰ্থ পেচাদাৰসকল আৰু প্ৰতিষ্ঠানটোতকৈ আগত আছে।
4. আনসকল গ্ৰাহকৰ দৰেই পক্ষপাতহীন ব্যৱহাৰ।
5. মোক সামগ্ৰী বা সেৱা আগ বঢ়োৱাৰ ক্ষেত্ৰত থকা বা সম্ভাব্য যিকোনো স্বাৰ্থৰ সংঘাতৰ খুলাখুলি প্ৰকাশ
6. মোৰ পৰিস্থিতিক অনুধাৱন কৰা, যাতে মোক প্ৰদান কৰা যিকোনো পৰামৰ্শ উপযুক্ত ধৰণৰ হয় আৰু মোৰ বিত্তীয় উদ্দেশ্য আৰু সীমাবদ্ধতাৰ ভিত্তিত হয়।
7. স্পষ্ট, সঠিক, সম্পূৰ্ণ আৰু সময়োপযোগী যোগাযোগ, য'ত সহজবোধ্য ভাষা ব্যৱহৃত হয় আৰু তথ্যখিনি ফলপ্ৰসূভাৱে বহন কৰিব পৰা ৰূপত উপস্থাপন কৰা হয়।
8. মোৰ পৰা বিচৰা সকলো মাচুল আৰু ব্যয় আৰু এই ব্যয়বোৰৰ বিৱৰণ দেখুওৱা তথ্যাদি পক্ষপাতহীন আৰু গ্ৰহণযোগ্য হ'ব লাগে।
9. মোৰ তথ্যৰ গোপনীয়তা।
10. মোৰ বাবে কৰি দিয়া কামখিনিৰ সমৰ্থনত সঠিক আৰু সম্পূৰ্ণ নথি।

**Visit cfainstitute.org/futurefinance**

© 2018 CFA Institute. All rights reserved.